**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং ৩২৭**
**উত্তৰ দিয়াৰ তাৰিখ-১৪-০৭-২০২৬**

**বিষয়ঃ অংগনৱাদী কৰ্মী/ সহায়িকাৰ খালী হৈ থকা পদ পূৰণ, আদৰ্শ অংগনৱাদী কেন্দ্ৰ সন্দৰ্ভত ।**

**শ্ৰীমেহবুব মোক্তাৰ,বিধায়ক**

**প্ৰশ্নঃ**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ধিং সমষ্টিৰ অন্তৰ্গত এলেকাত কিমানটা অংগনৱাদী কেন্দ্ৰ আছে আৰু এই কেন্দ্ৰ সমূহত কিমান গৰাকী কৰ্মী সহায়িকা আছে? কেন্দ্ৰ সমূহত খালী থকা পদৰ সংখ্যা কিমান? তাৰ কেন্দ্ৰ ভিত্তি তালিকা দাখিল কৰিব। খালী থকা পদ সমূহ কেতিয়া পূৰণ কৰা হ'ব ?
(খ) ধিং সমষ্টি এলেকাত কিমানটা আদৰ্শ অংগনৱাদী কেন্দ্ৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু কিমানটা আদৰ্শ অংগনৱাদী কেন্দ্ৰৰ নিৰ্মাণ কৰা হ'ব, ইয়াৰ কিবা পৰিকল্পনা প্ৰস্তুত কৰা হৈছে নেকি? যদি হৈছে, সবিশেষ জনাব।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**
(ক) অংগনবাড়ী কেন্দ্ৰৰ তালিকা সমষ্টি ভিত্তিক নাথাকে, সংহত শিশু উন্নয়ন প্ৰকল্প অনুযায়ী থাকে। অংগনবাড়ী কেন্দ্ৰৰ তালিকা আৰু ইয়াত কৰ্মৰত অংগনবাদী কৰ্মী আৰু সহায়িকাৰ সবিশেষ উক্ত প্ৰকল্প সমূহত উপলব্ধ।

(খ) আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ নিৰ্মাণৰ জিলা ভিত্তিক অনুমোদন দিয়া হৈছিল। নগাওঁ জিলাৰ অধীনত মুঠ ৪৯৬ টা অঙ্গনবাড়ী কেন্দ্ৰ আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ গৃহৰ কাম মঞ্জুৰ কৰা হৈছে। ইয়াৰ ভিতৰত ২২৬ টা অঙ্গনবাড়ী কেন্দ্ৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু ২৭০ টাৰ কাম চলি আছে। পুঁজিৰ আৱন্টন সাপেক্ষে পৰৱৰ্তী পৰ্য্যায়ত আদৰ্শ কেন্দ্ৰ নিৰ্মাণৰ কাম চলি থাকিব।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি অসম বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

************